Prepp
Your Personal Exams Guide

Language Code : **03**

इस पुस्तिका में **20** मुद्रित पृष्ठ हैं।
This booklet contains **20** Printed pages.

# FSC-26-II

## प्रश्न-पत्र-II / PAPER-II
## असमीया भाषा परिशिष्ट
## Assamese Language Supplement
## भाग-IV & V / PART-IV & V

मुख्य परीक्षा पुस्तिका संख्या / Main Test Booklet No.

मुख्य परीक्षा पुस्तिका कोड / Main Test Booklet Code
**J**

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए।**
**Do not open this Test Booklet until you are asked to do so.**
**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20) पर दिए निर्देशों को ध्यान से पढ़ें।**
**Read carefully the Instructions on the Back Cover (Page 19 & 20) of this Test Booklet.**

**असमीया में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें। / FOR INSTRUCTIONS IN ASSAMESE SEE PAGE 2 OF THIS BOOKLET.**

## परीक्षार्थियों के लिए निर्देश

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो **या** तो भाग IV (भाषा I) **या** भाग V (भाषा II) **असमीया** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं**।
2. परीक्षार्थी भाग I एवं भाग II **या** III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं। भाषा परिशिष्टों को आप अलग से माँग सकते हैं।
4. इस पृष्ठ पर विवरण अंकित करने एवं OMR उत्तर पत्र पर निशान लगाने के लिए **केवल काले/नीले बॉल पॉइंट पेन** का प्रयोग करें।
5. इस भाषा पुस्तिका का **संकेत** है **J**। यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, OMR उत्तर पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है। अगर यह भिन्न हो, तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं, जो प्रत्येक 1 अंक का है :
   भाग-IV : भाषा-I (असमीया) (प्र. 91 से प्र. 120)
   भाग-V : भाषा-II (असमीया) (प्र. 121 से प्र. 150)
7. भाग-IV में भाषा-I के लिए 30 प्रश्न और भाग-V में भाषा-II के लिए 30 प्रश्न दिए गए हैं। इस परीक्षा पुस्तिका में केवल असमीया भाषा से संबंधित प्रश्न दिए गए हैं। **यदि भाषा-I और/या भाषा-II में आपके द्वारा चुनी गई भाषा(एँ) असमीया के अलावा है तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लीजिए। जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए।**
8. **परीक्षार्थी भाग-V (भाषा-II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा-I (भाग-IV) में चुनी गई भाषा से भिन्न हो।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें। अपने उत्तर ध्यानपूर्वक अंकित करें। उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है।

## INSTRUCTIONS FOR CANDIDATES

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Language II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Part I and Part II **OR** III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Black/Blue Ball Point Pen only** for writing particulars on this page/ marking responses in the OMR Answer Sheet.
5. The CODE for this Language Booklet is **J**. Make sure that the CODE printed on **Side-2** of the OMR Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Test Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective Type Questions, each carrying 1 mark :
   Part-IV : Language-I (Assamese) (Q. 91 to Q. 120)
   Part-V : Language-II (Assamese) (Q. 121 to Q. 150)
7. Part-IV contains 30 questions for Language-I and Part-V contains 30 questions for Language-II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language/s you have opted for as Language-I and/or Language-II is a Language other than Assamese, please ask for a Test Booklet that contains questions on that language. The language being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part-V (Language-II) in a language other than the one chosen as Language-I (in Part-IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) : ____________________
Name of the Candidate (in Capitals) :
अनुक्रमांक : (अंकों में) / Roll Number : in figures ____________________
: शब्दों में / in words ____________________
परीक्षा केन्द्र (बड़े अक्षरों में) : ____________________
Centre of Examination (in Capitals) :
परीक्षार्थी के हस्ताक्षर : ____________________ निरीक्षक के हस्ताक्षर : ____________________
Candidate's Signature : Invigilator's Signature :
Facsimile Signature Stamp of
Centre Superintendent : ____________________

Prepp
Your Personal Exams Guide

Language Code : **03**

# FSC-26-II

**কাকত-II**

**অসমীয়া ভাষা**

**খণ্ড-IV & V**

পৰীক্ষা বহীখনৰ কোড

**J**

এই পৰীক্ষা বহীত 20 টা পৃষ্ঠা আছে

**এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা।**

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া।**

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা :***

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেইসকল পৰীক্ষাৰ্থীক দিয়া হৈছে যি **অসমীয়া** ভাষাৰ খণ্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে। কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব।
2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষা বহীৰপৰা I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ সৈতে দিয়া হৈছে। ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/ক'লা বল পেন** ব্যৱহাৰ কৰিবা।
5. এইখন ভাষা বহীৰ কোড হ'ল **J** এইটো নিশ্চিত কৰা যে OMR উত্তৰ বহীৰ **দ্বিতীয় পিঠি**, মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে। পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই ল'ব।
6. এই পৰীক্ষণ বহীৰ দুটা খণ্ড - চতুৰ্থ আৰু পঞ্চম ইয়াত 60টা চমু ধৰণৰ প্ৰশ্ন আছে। প্ৰত্যেক প্ৰশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :

   খণ্ড-IV : ভাষা I (অসমীয়া) (প্ৰশ্ন 91 ৰপৰা প্ৰশ্ন 120 লৈ)

   খণ্ড-V : ভাষা II (অসমীয়া) (প্ৰশ্ন 121 ৰপৰা প্ৰশ্ন 150 লৈ)
7. খণ্ড-IV ত ভাষা I ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড-V ত ভাষা II ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে। এই পৰীক্ষণ বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে। **ভাষাৰ ক্ষেত্ৰত যদি ভাষা-I অথবা ভাষা-II অসমীয়াত বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ বহী খুজি ল'বা। তোমাৰ প্ৰপত্ৰত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড-V ৰ (ভাষা II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড -IV (ভাষা I) ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল **OMR** উত্তৰ কাকতততহে লিপিবদ্ধ কৰিব লাগিব। তোমাৰ উত্তৰবোৰ সযত্নে কৰা। উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ____________________

ৰোল নম্বৰ : সংখ্যাৰে ____________________

: আখৰেৰে : ____________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ____________________

প্ৰাৰ্থীৰ চহী : ____________________ নিৰীক্ষকৰ চহী : ____________________

Facsimile signature stamp of
Centre Superintendent ____________________

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-I (Language-I)** হিচাপে লৈছে, তেনেহ'লে **Part-IV-ৰ (প্ৰশ্ন নং 91-ৰপৰা 120 লৈ)** উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-IV (Q.No. 91-120)**, if they have opted **ASSAMESE** as **Language-I** only.

Prepp
Your Personal Exams Guide

## PART-IV

## LANGUAGE-I

## ASSAMESE

| |
|---|
| পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-I (Language-I)** হিচাপে লৈছে, তেনেহ'লে **Part-IV-ৰ (প্ৰশ্ন নং 91-ৰপৰা 120 লৈ)** উত্তৰ কৰিব। |

**নিৰ্দেশ ঃ তলত দিয়া ৰচনাখণ্ড পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং 91-ৰপৰা 99 লৈ) আটাইতকৈ উপযুক্ত বিকল্পটো নিৰ্বাচন কৰি উত্তৰ কৰক।**

আৰিমত্তই সেই সময়ত কমতা ৰাজ্যৰ পূবত আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ৰাজত্ব কৰি থকা ৰামচন্দ্ৰ ৰজাৰ প্ৰতাপগড় ৰাজ্য আক্ৰমণ কৰি তেওঁক বধ কৰে। এই ৰামচন্দ্ৰই আৰিমত্তৰ পিতৃ আছিল (আৰিমত্তৰ পিতৃহত্যাৰ লগত জড়িত অনেক জনশ্ৰুতি অসমত আজিও প্ৰচলিত হৈ আছে)। তেওঁৰ পাছত আৰু কেইবাজনো ৰজাই কামৰূপ ৰাজ্য শাসন কৰে যদিও তেওঁলোকৰ দিনত ৰাজ্যৰ ৰাজধানী কমতাপুৰতহে আছিল। এই বংশৰ শেষ ৰজা মৃগাংক নিঃসন্তান হৈ মৰাত খেন বংশৰ নীলধ্বজে কমতা ৰাজ্যত খেন বংশৰ পাতনি মেলে (১৪৪০ খ্ৰিষ্টাব্দ)। এইজন ৰজাই মিথিলাৰপৰা বহুতো ব্ৰাহ্মণ পণ্ডিত আনি নিজ দেশত স্থাপন কৰিছিল। তেওঁৰ পুত্ৰ ৰজা চক্ৰধ্বজৰ দিনতেই ১৪৪৯ খ্ৰিষ্টাব্দত মহাপুৰুষ শংকৰদেৱৰ জন্ম হয়। এই বংশৰ পৰাক্ৰমী ৰজা নীলাম্বৰৰ দিনত বংগৰ নবাব হুছেইন শ্বাহে ১৪৯৮ খ্ৰিষ্টাব্দত কমতা ৰাজ্য আক্ৰমণ কৰি ৰাজধানী কমতাপুৰ ধ্বংস কৰে আৰু ৰজাকো বন্দী কৰি লৈ যায়। ৰজা নীলাম্বৰৰ পতনৰ লগে লগে কমতাত খেন বংশৰ ৰাজত্ব কালৰ অৱসান ঘটে। হুছেইন শ্বাহৰ এই আক্ৰমণৰ সময়ত তেওঁৰ সৈতে অহা বহু মুছলমান লোক হাজো আৰু তাৰ ওচৰ-পাঁজৰৰ অঞ্চলত থাকি যায়। তেতিয়াই গিয়াচুদ্দিন আউলিয়া নামৰ এজন সাধুৱে হাজোত এটা মছজিদ সজায় আৰু তেওঁৰ মৃত্যুৰ পাছত তেওঁকো সেই মছজিদৰ ওচৰতে কবৰ দিয়া হয়। ইয়েই বৰ্তমানৰ পোৱামক্কা তীৰ্থস্থান। সেই সময়ত অসমত দানৱ, ম্লেচ্ছ, কায়স্থ, শূদ্ৰ, দৈৱজ্ঞ (গণক), বৈদ্য, কৈৱৰ্ত আদি বিভিন্ন সম্প্ৰদায়ৰ মানুহে বাস কৰিছিল বুলি জনা যায়। ইয়াৰ উপৰিও কুম্ভকাৰ (কুমাৰ বা হীৰা), তন্তুবায় (কাপোৰ বোৱা), নৌকি (নাৱৰীয়া) আদি লোকৰ কৰ্মৰ ভিত্তিত শ্ৰেণীবিভাগ কৰা হৈছিল। সেই সময়ত অসমীয়া হিন্দু সমাজত জাতি বিভাগ আপেক্ষিকভাৱে শিথিল আছিল।

ইতিমধ্যে উনুকিয়াই অহা হৈছে যে ১২২৮ খ্ৰিষ্টাব্দত দিল্লীৰ চুলতান ইলতুৎমিছৰ পুতেক নাছিৰুদ্দিনে কামৰূপৰাজ পৃথুৰ ৰাজ্য আক্ৰমণ কৰাৰ বছৰেই সৌমাৰ খণ্ডত মংগোলীয় গোষ্ঠীৰ চাওলুং চ্যুকাফাই তাই বংশৰ শাসন প্ৰতিষ্ঠা কৰিছিল। তেওঁলোকক আহোম বোলা হৈছিল আৰু প্ৰকৃততে তেওঁলোকৰ বাবেই অসমৰ নাম অসম হৈছিল। আহোমসকলৰ বুৰঞ্জী লিখাৰ পৰম্পৰা আছিল সেয়েহে তেওঁলোকৰ সময়ৰেপৰা অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটৰ সকলো ঘটনা-পৰিঘটনা লিখিত ৰূপত ধাৰাবাহিকভাৱে পোৱা যায়। আহোম বুৰঞ্জীৰ মতে ত্ৰয়োদশ শতিকাৰ আগভাগত যেতিয়া আহোম স্বৰ্গদেৱ চ্যুকাফাই শিৱসাগৰ জিলাৰ দক্ষিণ-পূব অঞ্চলত আহোম ৰাজ্যৰ প্ৰতিষ্ঠা কৰিছিল তেতিয়া ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে সোৱণশিৰি নৈ আৰু দক্ষিণ পাৰে দিচাং নৈৰ পূবৰ সমস্ত অঞ্চলত চুটিয়াসকলৰ ৰাজ্য আছিল। তেওঁলোকৰ পশ্চিমে ব্ৰহ্মপুত্ৰৰ দক্ষিণত দিখৌৰপৰা কলঙলৈকে এই বিস্তৃত ভূখণ্ড কছাৰী ৰাজ্যৰ অধীনত আছিল। ধনশিৰি উপত্যকা আৰু উত্তৰ কাছাৰ পাহাৰো কছাৰী ৰাজ্যৰ ভিতৰত আছিল। ৰাজ্যৰ ৰাজধানী আছিল ডিমাপুৰত। সেইদৰে চুটিয়া ৰাজ্যৰ পশ্চিমে আৰু কছাৰী ৰাজ্যৰ উত্তৰ আৰু পশ্চিমে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে ভূঞাসকলৰ সৰু সৰু ৰাজ্যসমূহ আছিল আৰু ভূঞা ৰাজ্যসমূহৰ পশ্চিমে আছিল কামৰূপ ৰাজ্য। আহোমসকল বৰ পৰাক্ৰমী জাতি আছিল। অসমত তেওঁলোকে ছশ বছৰ ৰাজত্ব কৰিছিল। অসম বুৰঞ্জীৰ সেই ছশটা বছৰ নানান ঘাত-প্ৰতিঘাত, যুদ্ধ-বিগ্ৰহেৰে পৰিপূৰ্ণ আছিল। স্বৰ্গদেৱ চ্যুকাফাই প্ৰয়োজনত মিত্ৰতাৰে, প্ৰয়োজনত শাস্তিমূলক দমনেৰে বা প্ৰয়োজনত যুদ্ধ জয় কৰি হ'লেও বৰ অসমৰ ভেটি প্ৰতিষ্ঠা কৰিছিল।

**91.** ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে থকা সৰু সৰু ভূঞা ৰাজ্যসমূহৰ পশ্চিমে কোন ৰাজ্যৰ অৱস্থিতি আছিল ?

(1) কামৰূপ ৰাজ্য (2) কমতা ৰাজ্য (3) চুটীয়া ৰাজ্য (4) আহোম ৰাজ্য

**92.** পুৰণি অসমৰ সম্প্ৰদায় আৰু তেওঁলোকৰ তেতিয়াৰ দিনৰ জীৱিকা বা কৰ্মৰ শ্ৰেণীবিভাজনৰ আধাৰত সজোৱা 'ক' স্তম্ভ আৰু 'খ' স্তম্ভ মিলাই শুদ্ধ সজ্জাটো নিৰ্ণয় কৰক।

| | **'ক' স্তম্ভ** | | **'খ' স্তম্ভ** |
|---|---|---|---|
| (a) | কুম্ভকাৰ | (i) | মাছ মৰা, জাল সজা আদি |
| (b) | কৈৱৰ্ত | (ii) | মাটিৰ পাত্ৰ সজা |
| (c) | নৌকি | (iii) | কাপোৰ বোৱা |
| (d) | তন্তুবায় | (iv) | নাও বোৱা |

(1) (a)-(ii), (b)-(i), (c)-(iv), (d)-(iii)
(2) (a)-(i), (b)-(ii), (c)-(iii), (d)-(iv)
(3) (a)-(iii), (b)-(i), (c)-(ii), (d)-(iv)
(4) (a)-(iv), (b)-(iii), (c)-(i), (d)-(ii)

**93.** "অসমত তেওঁলোকে ছশ বছৰ ৰাজত্ব কৰিছিল।"
- উদ্ধৃত বাক্যটোত প্ৰয়োগ হোৱা বিভক্তি হৈছে —

(1) কেৱল প্ৰথমা (2) প্ৰথমা আৰু দ্বিতীয়া
(3) সপ্তমী আৰু প্ৰথমা (4) কেৱল সপ্তমী

**94.** বংগৰ নবাব হুছেইন শ্বাহে কেতিয়া কমতাৰাজ্য আক্ৰমণ কৰিছিল ?

(1) 1440 খ্ৰীষ্টাব্দত (2) 1448 খ্ৰীষ্টাব্দত (3) 1489 খ্ৰীষ্টাব্দত (4) 1498 খ্ৰীষ্টাব্দত

**95.** হাজোত এটা মছজিদ সজোৱা সাধুজন আছিল —

(1) নাছিৰুদ্দিন (2) গিয়াচুদ্দিন আউলিয়া
(3) হুছেইন শ্বাহ (4) ইলতুৎমিছ

**96.** তলত উল্লেখ কৰা কোন অঞ্চল কছাৰীসকলৰ অধীনত নাছিল ?

(1) ব্ৰহ্মপুত্ৰৰ দক্ষিণত দিখৌৰপৰা কলঙলৈকে বিস্তৃত অঞ্চল
(2) ধনশিৰিৰ উপত্যকা অঞ্চল
(3) দিচাং নৈৰ পূব অঞ্চল
(4) উত্তৰ কাছাৰ পাহাৰ অঞ্চল

**97.** খেন বংশৰ প্ৰতিষ্ঠাতা আছিল —

(1) নীলাম্বৰ (2) নীলধ্বজ (3) মৃগাংক (4) আৰিমত্ত

**98.** 'পৰাক্ৰমী' শব্দটোৰ প্ৰত্যয় ভাঙি দেখুৱাওক।

(1) পৰা + ক্ৰম + ঈ (2) পৰাক্ৰম + ঈ
(3) প + ৰা + ক্ৰ + মী (4) পৰা + ক্ৰমী

**99.** 'নিঃসন্তান' শব্দটোত __________ ৰ প্ৰয়োগ হৈছে।

(1) বিভক্তি (2) উপসৰ্গ (3) বিশেষ্য (4) সৰ্বনাম

Prepp
Your Personal Exams Guide

**নির্দেশ ঃ তলত দিয়া পদ্যাংশ পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং 100 ৰপৰা 105 লৈ) আটাইতকৈ উপযুক্ত বিকল্পটো নিৰ্বাচন কৰি উত্তৰ কৰক।**

যাৰে কৃষ্ণ কথা শ্ৰৱণ কীৰ্ত্তনে
নতু কৰৈ নৰে ৰতি।
শৰত কালৰ এতেক উপমা
জানিবা হৰি ভকতি।।
মেঘগণে জল সৰ্ব্বস্ব এৰিয়া
শুক্ল কৰিলেক গাৰ।
যেন মুনিসৱে বিত্ত লোভ তেজি
ভৈলা মহা শুদ্ধ ভাৱ।।
পৰ্ব্বত সকলে সততে নকৰে
সৱে ঠাইত জলদান।
যেন জ্ঞানী গুৰু শিষ্যত সমস্তে
নকহে গুপুত জ্ঞান।।
অলপ পানীৰ মৎস্য নজানিল
শুখাই টুটি পৰৈ পানী।
আয়ু যায় নিত তাত নেদে চিত
যেন মহা মূঢ় প্ৰাণী।।
ডোভাৰ জলত সূৰ্য্যৰ তাপত
কমাৰৈ মৎস্য অপাৰ।
যেন মহা দুখী কুটুম্বি মনুষ্যে
দুখৰ নেদেখে পাৰ।।

**100.** "শৰত কালৰ এতেক উপমা
জানিবা হৰি ভকতি।"
- উদ্ধৃত অংশত কবিতাৰ কি অলংকাৰৰ প্ৰয়োগ হৈছে ?

(1) উপমা (2) লুপ্তোপমা (3) মালোপমা (4) অনুপ্ৰাস

**101.** জ্ঞানী গুৰুৱে —

(1) সকলো শিষ্যকে সকলো গুপ্তজ্ঞান নিদিয়ে
(2) বিত্ত লোভ ত্যাগ কৰে
(3) কৃষ্ণ কথাৰ শ্ৰৱণ-কীৰ্তন কৰে
(4) শিক্ষাদানৰ কাৰণে সৰ্বস্ব ত্যাগ কৰে

**102.** উদ্ধৃত পদ্যাংশৰ ভাষা _________ অসমীয়া বৈষ্ণৱ সাহিত্যত ব্যৱহৃত ভাষাৰ উদাহৰণ।

(1) ঐতিহাসিক (2) মধ্যযুগীয়
(3) অৰুণোদইৰ পৰৱৰ্তী যুগৰ (4) আধুনিক

**103.** মুনিসকলে ধন-সম্পদৰ লোভ ত্যাগ কৰাটো কবিয়ে কিহৰ সৈতে তুলনা কৰিছে ?

(1) শৰতকাল নিৰ্জল মেঘে শুকুলা ৰূপ ধাৰণ কৰাৰ সৈতে

(2) পৰ্বতৰ বিশালতাৰ সৈতে

(3) কম পানীৰ মাছে বেছি পানীৰ আশা নকৰাৰ সৈতে

(4) কৃষ্ণকথা শুনি ভক্তিভাৱ জাগ্ৰত হোৱাসকলৰ সৈতে

**104.** "যেন মহা মূঢ় প্ৰাণী"— ইয়াত থকা 'মূঢ়' শব্দটোৰ তলত দিয়া কোনটো সমাৰ্থসূচক **নহয়** ?

(1) অজ্ঞ (2) মূৰ্খ (3) নিৰ্বোধ (4) মহান

**105.** প্ৰতিনিয়ত আয়ু ক্ষয় গৈ থকা কথাটোত কোনে মনোযোগ নিদিয়ে ?

(1) অল্প পানীৰ মৎস্যই (2) জ্ঞানী গুৰুৰ শিষ্যই

(3) অতি নিৰ্বোধ প্ৰাণী বা মানুহবোৰে (4) মুনিসকলে

**106.** তলত দিয়াকেইটাৰ ভিতৰত কোনটো আনুষ্ঠানিক লিখনৰ অন্তৰ্গত **নহয়** ?

(1) শোকবাৰ্তা (2) ব্যৱসায়িক পত্ৰ

(3) নিজৰ পৰিচয়মূলক চি.ভি. (4) সমালোচনা

**107.** ভাষা আহৰণ আৰু ভাষা শিকনৰ ক্ষেত্ৰত জন্মজাত প্ৰমেয় (innateness hypothesis) কি ?

(1) "সকলো ভাষাৰে ব্যাকৰণ থাকে আৰু সকলো শিশুৱে নিজৰ ধৰণে সেয়া শিকে।" — এই ধাৰণাটো এই প্ৰমেয়ই অস্বীকাৰ কৰে।

(2) শাৰীৰিক অনুশীলন আৰু কণ্ডিশ্বনিঙৰ দ্বাৰা সকলো মানুহে ভাষা শিকিব পাৰে বুলি এই প্ৰমেয়ই বিশ্বাস কৰে।

(3) এই প্ৰমেয়ই বিশ্বাস কৰে যে সকলো মানুহে জন্মতে ভাষাৰ জ্ঞান লৈ আহে।

(4) এই প্ৰমেয়ই বিশ্বাস কৰে যে অভ্যাস গঠনৰ ফলত ভাষা শিকা যায়।

**108.** 'বিষয়কেন্দ্ৰিক ভাষা ইন্‌পুট' হৈছে —

(1) ভাষা কেনেকৈ ব্যৱহাৰ কৰা হয় তাত গুৰুত্ব আৰোপ কৰা ভাষা ইন্‌পুট

(2) ইন্‌পুটসমূহ আৰু সেইবোৰৰ প্ৰক্ৰিয়াৰ প্ৰদৰ্শন

(3) তথ্যৰ ওপৰত মনোযোগ দিয়া ভাষা ইন্‌পুট

(4) শব্দভঁৰাল, উচ্চাৰণ, ব্যাকৰণ ইত্যাদি

**109.** ভাষা শিকনৰ কোনটো পদ্ধতিয়ে শব্দ আৰু শব্দ খণ্ডক ভাষা শিকাৰ মূল আধাৰ বুলি গণ্য কৰে ?

(1) কাৰ্যভিত্তিক ভাষা শিকন
(2) যোগাযোগমূলক পদ্ধতি
(3) শাব্দিক বা আভিধানিক পদ্ধতি
(4) ব্যাকৰণ অনুবাদ পদ্ধতি

**110.** তলত উল্লেখ কৰাকেইটাৰ ভিতৰত কোনটো বিদ্যালয়ৰ শিক্ষাত বহুভাষিকতাৰ উদ্দেশ্য **নহয়** ?

(1) শিক্ষাৰ্থীৰ ভাষাবোৰক শিক্ষণ-শিকনত ব্যৱহাৰ কৰা
(2) যতদূৰ সম্ভৱ হয়, মাতৃভাষা এটা ভাষা হিচাপে শিকা আৰু তাক শিকনৰ মাধ্যম হিচাপে লোৱা
(3) ত্ৰিভাষা সূত্ৰ অনুসৰি মাতৃভাষা, হিন্দী আৰু ইংৰাজী শিকা
(4) সকলো শিশুৱে সিহঁতৰ মাতৃভাষাত বিদ্যালয়ৰ শিক্ষা আৰম্ভ কৰি পাছত কেইবাটাও (অন্ততঃ আৰু দুটা) ভাষা শিকে

**111.** এটা পাঠৰ বিষয়ে সামগ্ৰিক অৱলোকন তথা সাধাৰণ ধাৰণা এটা পাবৰ কাৰণে বাণীয়ে পাঠটো পঢ়িছে। বাণীৰ এই পঠন হৈছে —

(1) প্ৰতিবন্ধকী বা হস্তক্ষেপী (interferencing)
(2) ওপৰে ওপৰে চকু ফুৰোৱা বা স্কেনিং
(3) সাৰগ্ৰহণ বা স্কিমিং
(4) সমালোচনাত্মক পঠন

**112.** বিদ্যালয়ভিত্তিক মূল্যায়নৰ ক্ষেত্ৰত প্ৰযোজ্য দুটা বাচি উলিওৱাঁ।

(a) শিক্ষক আৰু শিক্ষাৰ্থী উভয়ৰে স্বতন্ত্ৰতাৰ পোষণ কৰাত ই সহায় কৰে।
(b) ই বিদ্যালয়খনক নিজৰ ধৰণে পৰিকল্পনা কৰাত সহায় কৰে।
(c) ই পৰীক্ষা বোৰ্ডৰ ক্ষমতা লৈ ল'ব পাৰে।
(d) মূল্যায়নৰ পৰিকল্পনা কৰা প্ৰক্ৰিয়াসমূহত ই শিক্ষাৰ্থীসকলক সক্ৰিয় অংশগ্ৰহণকাৰী হিচাপে জড়িত নকৰে।

(1) (a) আৰু (b)
(2) (b) আৰু (c)
(3) (c) আৰু (d)
(4) (d) আৰু (a)

**113.** পূৰ্ব-নিৰ্ধাৰিত নিৰ্দেশৰ ক্ৰমৰ পৰিৱৰ্তে বাস্তৱ-পৃথিৱী পটভূমি বা ঘটনা-নিৰ্ভৰ শিকনৰ পৰিৱেশ সমৰ্থন কৰা শিক্ষা-দৰ্শন হৈছে—

(1) সহজাত গুণবাদ (Nativism)
(2) নিৰ্মাণবাদ (Constructivism)
(3) শ্ৰব্যভাষ্যবাদ (Audiolingualism)
(4) বোধগম্যবাদ (Cognitivism)

**114.** ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ ৰাহুলে ব্যাকৰণৰ নতুন গঠন এটা শিকিবলৈ চেষ্টা কৰোঁতে সি ইতিমধ্যে শিকা ধাৰণাৰ সৈতে সংযোগিত কৰিবলৈ সক্ষম হৈছে। এই কাৰ্যটোৰ পৰা তলত কোনটো/কোনবোৰ কৌশল প্ৰতীত হয় ?

(1) প্ৰয়াস-প্ৰমাদগত (Heuristic) কৌশল
(2) বোধশক্তিগত কৌশল
(3) Metacognitive কৌশল
(4) বোধশক্তিগত আৰু Metacognitive উভয় কৌশল

**115.** সপ্তম মানৰ শিক্ষক এগৰাকীয়ে সাতটা বাক্যৰ এটা পাঠ পঢ়ি দি ছাত্ৰ-ছাত্ৰীবোৰক ঠিক তেনেধৰণৰ পাঠ এটাৰ পুনৰসৃষ্টি কৰিবলৈ দিছে। শিক্ষকগৰাকীৰ এই কৌশলটো হৈছে —

(1) Schema সৃষ্টিকৰণ (2) অৱৰোহী বা নিম্নমুখী কৌশল
(3) আৰোহী বা উৰ্দ্ধমুখী কৌশল (4) পেৰাগ্ৰাফৰ শ্ৰুতলিপি

**116.** শিকন আউট-পুটৰ ক্ষেত্ৰত কোনটো/কেইটা শুদ্ধ বাছি উলিওৱাঁ।

(a) বিষয়কেন্দ্ৰিক শিকনতকৈ ই দক্ষতাভিত্তিক শিকনৰ পোষকতা কৰে।
(b) ভাষা স্বকীয় তথা সৃষ্টিশীল ধৰণে ব্যৱহাৰ কৰিব পৰাকৈ প্ৰয়োজন হোৱা ভাষা কৌশলসমূহত শিকাৰুক পাৰ্গত কৰি তোলে।
(c) বিষয় সামগ্ৰীত পাৰদৰ্শী হৈ উঠে আৰু পাছত সেইবোৰ ব্যৱহাৰ কৰিব পাৰে।
(d) নিৰ্দিষ্ট উদ্দেশ্যত ভাষাটো ব্যৱহাৰ কৰিব পৰাকৈ শিকাৰুক পাৰ্গত কৰি তোলে।

(1) কেৱল (c) শুদ্ধ (2) (b) আৰু (c) শুদ্ধ
(3) (d) আৰু (c) শুদ্ধ (4) (a) আৰু (d) শুদ্ধ

**117.** ব্যাকৰণ শিকাৰ ক্ষেত্ৰত তলৰ কোনটোৱে কাৰ্যপদ্ধতি জ্ঞান (procedural knowledge) ক আটাইতকৈ ভালকৈ বুজাব পাৰে ?

(1) ই হৈছে গঠন (form)-ৰ বিষয়ে জনা
(2) ব্যাকৰণৰ গঠন কি আৰু তাৰ ব্যৱহাৰ কেনে সেয়া জনা
(3) ব্যাকৰণৰ সূত্ৰসমূহ জনা আৰু পাছত সেইবোৰ পুৰ্নস্ৰজন কৰা
(4) ব্যাকৰণৰ পুথিৰ পৰা কেনেকৈ ব্যাকৰণৰ গঠন এটাই কাম কৰে সেয়া জনা

**118.** এখন চৰকাৰী হাইস্কুলৰ শিক্ষয়িত্ৰী শ্ৰীমতি উষা ৰাণীয়ে তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলক ইংৰাজী ভাষা প্ৰতিদিনে ব্যৱহাৰ কৰিবলৈ দি কিছুমান সূত্ৰ তথা ফৰ্মুলাবদ্ধ ব্যৱহাৰ শিকাই ভাষাটো শিকাইছে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কিহৰ বিকাশ কৰিবলৈ চেষ্টা কৰিছে ?

(1) যোগাযোগমূলক দক্ষতাৰ
(2) আন্তঃব্যক্তিগত দক্ষতাৰ
(3) বোধশক্তিসম্পন্ন বৌদ্ধিক ভাষা দক্ষতাৰ
(4) প্ৰাথমিক আন্তঃব্যক্তিগত যোগাযোগমূলক দক্ষতাৰ

**119.** সপ্তম শ্ৰেণীৰ এগৰাকী শিক্ষয়িত্ৰীয়ে তেওঁৰ ছাত্ৰ-ছাত্ৰীবোৰৰ একেধৰণৰ ভাষাৰ ভুল কিছুমান বাছি উলিয়াইছে আৰু সেইবোৰৰ প্ৰতি ছাত্ৰ-ছাত্ৰীবোৰ সজাগ হ'ব পৰাকৈ প্ৰতিমাহে শ্ৰেণীত আলোচনা কৰিছে। তেওঁ সেই ভুলবোৰ কোনে কৰিছে নাম নোলোৱাকৈ যিয়ে কৰিছে মনত পেলাবলৈ কৈছে। এই অনুশীলনটো হৈছে —

(1) ব্যাকৰণৰ সৈতে অধ্যয়ন আৰু নিমজ্জন (2) ব্যাকৰণ শিকন
(3) ফীডবেক দিয়া (4) ভুল বিশ্লেষণ

**120.** আমি শুনিলে বা দেখিলে চিহ্নিত কৰিব পৰা বা চিনি পোৱা শব্দবোৰ হৈছে —

(1) লেক্সিছ (2) উৎপাদনশীল শব্দভঁৰাল
(3) সংগ্ৰাহী শব্দভঁৰাল (4) সন্নিৱিষ্ট (engaging) শব্দভঁৰাল

Prepp
Your Personal Exams Guide

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-II (Language-II)** হিচাপে লৈছে, তেনেহ'লে **Part-V-ৰ (প্ৰশ্ন নং 121-ৰপৰা 150 লৈ)** উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-V (Q.No. 121-150)**, if they have opted **ASSAMESE** as **Language-II** only.

Prepp
Your Personal Exams Guide

## PART-V

## LANGUAGE-II

## ASSAMESE

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-II (Language-II)** হিচাপে লৈছে, তেনেহ'লে **Part-V-ৰ (প্ৰশ্ন নং 121-ৰপৰা 150 লৈ)** উত্তৰ কৰিব।

**নিৰ্দেশ ঃ তলৰ ৰচনাখণ্ড পঢ়ি তাৰ তলত দিয়া বৈকল্পিক উত্তৰৰ প্ৰশ্নসমূহৰ (প্ৰশ্ন নং 121-ৰপৰা 128 লৈ) আটাইতকৈ উপযুক্ত বিকল্পটো নিৰ্বাচন কৰক।**

পাইক প্ৰথা অনুযায়ী পাইকসকলে বছৰত তিনি মাহকৈ ৰজাঘৰীয়া কাম কৰি দিবলগীয়া হৈছিল। ৰজাই ইচ্ছা কৰিলে তেওঁলোকক এঠাইৰ পৰা আন এঠাইলৈ নিবও পাৰিছিল। বিনিময়ত পাইকসকলে দুপুৰাকৈ মাটি ভোগ কৰিবলৈ পাইছিল যদিও দ মাটি, হাবি-জংঘল কাটি নতুন মাটি উলিয়াই শস্য উৎপাদন কৰিবও পাৰিছিল। আহোম যুগত কৃষি, বাণিজ্য আৰু শিল্পাদিৰ যোগেদি ঠাই বা গাঁওবিলাকৰ গঠন প্ৰণালীত পৰিৱৰ্তন আনিছিল। পাইকৰ ডাঙৰ ডাঙৰ সমষ্টি খেল প্ৰথাৰ মাধ্যমেৰে একে বৃত্তিধাৰী বা একে সম্প্ৰদায়ৰ লোকসকলক সংঘবদ্ধ কৰি একো একোখন ঠাই বা গাঁৱৰ সৃষ্টি হৈ সকলোৰে মাজত ঐক্য-সম্প্ৰীতি গঢ়ি উঠিছিল। শিল্পাদি ক্ষেত্ৰত দা-কটাৰী আদি নিৰ্মাণৰ ক্ষেত্ৰত কমাৰগাঁও, মাটিৰ বাচন-বৰ্তন আদি নিৰ্মাণৰ ক্ষেত্ৰত কুমাৰগাঁও, তাঁত শিল্পাদি ক্ষেত্ৰত তাঁতীগাঁও, দোলা আদি নিৰ্মাণ কাৰ্যৰ ক্ষেত্ৰত দুলীয়াগাঁও, লোহাৰ কাম কৰা ক্ষেত্ৰত লোশলীয়া গাঁও ইত্যাদি। খেলবিলাকৰো উৎপত্তি ঠিক তেনেদৰেই হৈছিল। জনশ্ৰুতিমতে আহোম ৰজাৰ শাসন কালত কৃষি-শিল্প আদি ক্ষেত্ৰত নিপুণ কছাৰী নামৰ এজন ৰজাঘৰীয়া বিষয়বাব খোৱা লোকে সগোত্ৰীয় পৰিয়ালবৰ্গৰ লগত থাকি একে বৃত্তিধাৰী হৈও সামাজিকভাৱে নিজৰ প্ৰতিপত্তি লাভ কৰাৰ পাছত তেওঁৰ পৰাই সেই অঞ্চলত বসবাস কৰা স্থান অনুসৰি কালক্ৰমত কছাৰীকুৰি খেল নামেৰে প্ৰখ্যাত হৈ পৰিল। বিভিন্ন সম্প্ৰদায়ৰ লোকসকলৰ দৰেই বৰাহী সকলেও এই অঞ্চলত আগৰে পৰাই বসবাস কৰি আছিল। সময়ৰ সোঁতত সেই বৰাহীসকল স্থান এৰি আন ঠাইলৈ গুচি যায়। উদাহৰণস্বৰূপে দববাহী, বামবৰাহী আদি গাঁওবিলাকৰ বৰাহী গাঁৱৰ নামকৰণ থাকিলেও তাত বৰাহী মানুহৰ সন্ধান পোৱা নাযায়। অতীতৰ বৰাহী লোক অন্তৰ্ভুক্ত হৈ থকা সমাজখন কালক্ৰমে বৰাহী কুৰি খেলত পৰিণত হয়। কাকতী হ'ল মাটিবাৰীৰ হিচাপ-পত্ৰ ৰখা, সেই মাটিৰ উৎপন্ন শস্যৰ হিচাপ, পাইক আদিৰ লেখ-বুজ কৰা আৰু আন আন হিচাপ-নিকাচ ৰখা বিষয়া। কোনো সমাজত তেনে কোনো বিষয়া থকাৰ বাবেই পাছত কাকতী কুৰি খেলৰ নামকৰণ হয়। বৰাহী কুৰি আৰু কাকতীকুৰি এই দুটা খেলৰ লোকসকল এই অঞ্চলৰ পৰা বহু কালৰ আগতেই আঁতৰি গ'ল। বৰ্তমান অঞ্চলটোত চুতীয়া সম্প্ৰদায়ৰ লোক সকলেই সংখ্যাত অধিক।

**121.** 'ৰজাঘৰীয়া' শব্দটো হৈছে —

(1) স্ত্ৰী প্ৰত্যয় (2) ব্যঞ্জন সন্ধি (3) তদ্ধিৎ প্ৰত্যয় (4) দ্বন্দ্ব সমাস

**122.** তলত উল্লেখ কৰা কামবোৰৰ ভিতৰত কোনটো 'কাকতী'-ৰ কামৰ ভিতৰত নাছিল ?

(1) পাইকৰ লেখ-বুজ লোৱা
(2) মাটি-বাৰীৰ হিচাপ-পত্ৰ ৰখা
(3) উৎপাদিত শস্যাদিৰ হিচাপ ৰখা
(4) গণিতৰ শিক্ষা প্ৰদান কৰা

**123.** পাইক প্ৰথামতে পাইকসকলে কিমানদিন ৰজাঘৰীয়া কাম কৰিবলগা হৈছিল ?

(1) প্ৰতি বছৰে ষাঠি দিন (2) বছৰটোৰ তিনিমাহ
(3) তিনিবছৰ তিনিমাহ (4) প্ৰতি তিনি বছৰত এবাৰ

**124.** একে বৃত্তিধাৰীৰ লোকৰ বৃত্তি আৰু তেওঁলোকৰ গাঁওবোৰৰ নামৰ আধাৰত দিয়া হোৱা 'ক' স্তম্ভ আৰু 'খ' স্তম্ভ মিলাই শুদ্ধ সজ্জাটো নিৰ্ণয় কৰক।

| | **'ক' স্তম্ভ** | | **'খ' স্তম্ভ** |
|---|---|---|---|
| (a) | মৃৎশিল্প | (i) | তাঁতী গাঁও |
| (b) | বস্ত্ৰশিল্প | (ii) | লোশলীয়া গাঁও |
| (c) | লৌহকাৰ্য | (iii) | দুলীয়া গাঁও |
| (d) | পাল্কি নিৰ্মাণ আদি | (iv) | কুমাৰ গাঁও |

(1) (a)-(i), (b)-(ii), (c)-(iii), (d)-(iv)

(2) (a)-(iv), (b)-(ii), (c)-(iii), (d)-(i)

(3) (a)-(iii), (b)-(iv), (c)-(i), (d)-(ii)

(4) (a)-(iv), (b)-(i), (c)-(ii), (d)-(iii)

**125.** ৰচনাখণ্ডত উল্লেখ থকা হাবি-জংঘল, দা-কটাৰী, বাচন-বৰ্তন আদি শব্দবোৰ কোন শ্ৰেণীৰ শব্দ ?

(1) সন্ধিযুক্ত শব্দ (2) উপসৰ্গযুক্ত শব্দ

(3) যুৰীয়া শব্দ (4) প্ৰতিধ্বন্যাত্মক শব্দ

**126.** কছাৰীকুৰি খেল নামটোৰ উৎপত্তিৰ আঁৰত আছে —

(1) নিপুণ কছাৰী নামৰ ৰজাঘৰীয়া বিষয়ববীয়া এজন

(2) কুৰি বা বিশ বুজোৱা শব্দটো

(3) খেল বা ক্ৰীড়া

(4) কছাৰী সম্প্ৰদায়ৰ লোকসকল

**127.** "ৰজাই ইচ্ছা কৰিলে তেওঁলোকক এঠাইৰ পৰা আন এঠাইলৈ নিবও পাৰিছিল।"

— উদ্ধৃত বাক্যটোত 'তেওঁলোক' বুলি কাৰ কথা কোৱা হৈছে ?

(1) কাকতীসকল (2) বৰাহীসকল

(3) পাইকসকল (4) চুতীয়াসকল

**128.** ৰজাৰ কাৰণে, বা ৰজাৰ ঘৰত কাম কৰাৰ বিনিময়ত পাইকসকলে কি পাইছিল ?

(1) নগদ ধন পাইছিল

(2) দুপুৰাকৈ মাটি পাইছিল

(3) দুদোনকৈ ধান পাইছিল

(4) বনিজ কৰাৰ সুযোগ পাইছিল

**নির্দেশ ঃ তলত দিয়া গদ্যাংশৰ আধাৰত প্ৰশ্ন নং 129-ৰপৰা 135 লৈ প্ৰশ্নসমূহৰ তলত দিয়া বিকল্প উত্তৰসমূহৰ পৰা আটাইতকৈ উপযুক্তটো নিৰ্বাচন কৰক।**

গুৱাহাটী মিউনিচিপালিটিৰ ১৯৬৯ চনৰ গণনামতে গুৱাহাটী চহৰৰ মাছৰ যোগান ধৰে ৩৩০ জন মাছ ব্যৱসায়ীয়ে। এই মাছৰ ব্যৱসায়ী সকলৰ ভিতৰত ১৩৩ জনহে অসমীয়া, বাকী ১৯৭ জনেই অনা-অসমীয়া। ১৯৪৭ চনৰ আগৰ কালছোৱাত অসমত অনা-অসমীয়া মাছৰ ব্যৱসায়ী নাছিল বুলি কলেও বঢ়াই কোৱা নহয়। কিন্তু ১৯৪৭ চনৰ পিচৰ পৰা লাহে লাহে গুৱাহাটীত অনা-অসমীয়া মাছৰ ব্যৱসায়ীৰ সংখ্যা বাঢ়িবলৈ ধৰিলে আৰু লগে লগে অসমীয়া মাছ ব্যৱসায়ী সকলে মাছৰ কাৰবাৰ এৰিবলৈ আৰম্ভ কৰিলে। অসমীয়া মাছৰ ব্যৱসায়ী সকলে মাছৰ কাৰবাৰ এৰাৰ প্ৰথম কাৰণ হ'ল উচ্চজাতৰ অসমীয়া মানুহ খিনিয়ে মাছৰ কাৰবাৰ কৰা মানুহ খিনিক ঘৃণাৰ চকুৰে চায়। আকৌ এই ঘৃণাৰ চকুৰে চোৱাৰ কাৰণ হ'ল হিংসাজনিত। মাছৰ ব্যৱসায়ত প্ৰচুৰ লাভ। যেতিয়া সমাজৰ চকুত মাছমৰীয়া জাতিটো ঘৃণিত হ'ল আৰু মাছৰ কাৰবাৰ এৰি পেলালে তেতিয়া উচ্চজাতৰ মানুহ খিনিয়ে মাছৰ কাৰবাৰ হাতত ল'লে আৰু মাছমৰীয়া জাতিটোক শোষণ কৰিবলৈ ধৰিলে। মাছৰ কাৰবাৰ কৰা উচ্চজাতৰ লোকসকলে অনা-অসমীয়া কিছুমান মাছমৰীয়াক অসমলৈ আমদানি কৰিলে আৰু ইয়াৰ ফলতে অনা-অসমীয়া মাছৰ ব্যৱসায়ীৰ সংখ্যা অসমত বৃদ্ধি পালে। তদুপৰি স্বাধীনতা পোৱাৰ লগে লগে মাছমৰীয়া জাতিটোৱে তেওঁবিলাকৰ ব্যৱসায়ক সমাজে ঘৃণাৰ চকুৰে চোৱাৰ বাবে তেওঁলোকে নিজেও নিজৰ ব্যৱসায়ক ঘৃণা কৰা হ'ল আৰু পাহৰি গ'ল তেওঁবিলাকৰ ট্ৰেডিশ্যন। অন্যান্য উচ্চজাতৰ মানুহখিনিৰ দৰে জীৱন-যাপন কৰিবলৈ আগবাঢ়ি আহিল, কিন্তু তেওঁবিলাক অপাৰগ হ'ল, কাৰণ মাছৰ কাৰবাৰ কৰা লোকখিনিৰ শিক্ষা-দীক্ষা নাই, সেয়ে উচ্চজাতৰ মানুহৰ দৰে তেওঁবিলাকে চাকৰি-বাকৰি যোগাৰ কৰি ল'ব নোৱাৰিলে। তদুপৰি এওঁবিলাক খেতি-বাতি কৰিবলৈ অপাৰগ, কাৰণ এওঁবিলাকৰ মাটি গড়ে এক বিঘাত কৈ কম। এওঁলোকে জীৱন ধাৰণ কৰিবলৈ যি পৰিকল্পনা কৰিছিল সি আছিল অবাস্তৱ আৰু অসম্ভৱ। সেয়েহে আজি এই মাছমৰীয়া জাতিটোৰ পানীত হাঁহ নচৰা অৱস্থা। মাছৰ ব্যৱসায়ৰ আয় প্ৰচুৰ বুলি আমি আগতেই কৈ আহিছোঁ। এই ব্যৱসায়ত লিপ্ত থকা যি ১৯৭ জন অনা-অসমীয়া আছে, তেওঁবিলাকৰ আয় যথেষ্ট। ফাঁচীবজাৰৰ অসমীয়া মাছৰ ব্যৱসায়ী এজনৰ লগত কথা পাতি জানিব পাৰিলো যে সকলো ৰকমৰ খৰচ-পাতি বাদ দি একোজন মাছৰ ব্যৱসায়ীৰ আয় দৈনিক ৫ টকা। গতিকে দেখা যায় যে বছৰত অনা-অসমীয়া মাছৰ ব্যৱসায়ীসকলে অসমৰ বাহিৰত থকা তেওঁবিলাকৰ পৰিয়ালবৰ্গলৈ ২,৭০,৬০০ টকা পঠিয়াই। যদি এই মাছৰ ব্যৱসায় সম্পূৰ্ণৰূপে অসমীয়াই কৰিলেহেঁতেন, তেন্তে এই টকা অসমতে ৰৈ নগলহেঁতেন নে ? লগতে অসমৰ অৰ্দ্ধশিক্ষিত আৰু অশিক্ষিত নিবনুৱা সমস্যা সমাধান কৰাৰো পথ মুকলি হলাহঁতেন। সেয়ে অসমীয়া মাছমৰীয়া জাতিটোক অনুৰোধ কৰোঁ যাতে তেওঁলোকে পূৰ্বপুৰুষৰ পৰা চলি অহা দস্তুৰ এৰি নেপেলায়, অৱশ্যে তেওঁবিলাকক শিক্ষা-দীক্ষা ল'বলৈ বাধা দিয়া নাই। শিক্ষা-দীক্ষা লৈ তেওঁবিলাকে বৈজ্ঞানিক পদ্ধতিৰে মাছৰ ব্যৱসায় কৰিব পাৰে।

**129.** গুৱাহাটিত অনা-অসমীয়া মাছৰ ব্যৱসায়ীৰ সংখ্যা কেতিয়াৰ পৰা বৃদ্ধি পাইছিল ?

(1) অসমৰ বিদেশী বহিষ্কাৰ কৰা আন্দোলনৰ পাছৰ পৰা

(2) ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছৰ পৰা

(3) গুৱাহাটি মিউনিচিপালিটি প্ৰতিষ্ঠা হোৱাৰে পৰা

(4) শ্বিলঙৰ পৰা গুৱাহাটিলৈ অসমৰ ৰাজধানী স্থানান্তৰ কৰাৰে পৰা

**130.** 'বৈজ্ঞানিক' শব্দটোৰ প্ৰত্যয় ভাঙি দেখুৱাওক।

(1) বিজ্ঞান + ইক্ (2) বি + জ্ঞান + ঐক্

(3) বৈ + জ্ঞানিক (4) বৈজ্ঞান + ইক

**131.** ৰচনাখণ্ডত উল্লেখ থকা পুৰণি এক গণনা অনুসৰি গুৱাহাটি চহৰৰ মাছৰ যোগান ধৰা অনা-অসমীয়া ব্যৱসায়ীৰ সংখ্যা আছিল —

(1) তিনিশ ত্ৰিশজন (2) এশ তেত্ৰিশজন

(3) এশ সাতানব্বৈজন (4) চাৰিশ তেষষ্ঠিজন

**132.** ৰচনাখণ্ডটোত ব্যৱহৃত 'লিপ্ত' শব্দটোৰ অৰ্থ হৈছে ?

(1) হেৰোৱা (2) জড়িত (3) নিৰাসক্ত (4) আসক্তি

**133.** "... তেওঁবিলাকে চাকৰি-বাকৰি যোগাৰ কৰি ল'ব নোৱাৰিলে।"

উদ্ধৃত বাক্যটোৰ ৰেখাংকিত অংশটো হৈছে __________ ৰ উদাহৰণ।

(1) জতুৱা ঠাঁচ (2) পটন্তৰ (3) ধ্বন্যাত্মক শব্দ (4) বিশেষ্য পদ

**134.** অনা-অসমীয়া কিছুমান মাছমৰীয়াক কোনে অসমলৈ আমদানি কৰিছিল ?

(1) তথাকথিত উচ্চজাতৰ শোষক চৰিত্ৰৰ অসমীয়া ব্যৱসায়ী কিছুমানে

(2) আহোম স্বৰ্গদেউসকলে

(3) বৃটিছে

(4) অসমৰ বাহিৰৰ পৰা আহি অসমত নিগাজিকৈ থিতাপি লোৱা অনা-অসমীয়া কিছুমানে

**135.** সকলো ধৰণৰ খৰচ-পাতি বাদ দিও একোজন মাছৰ ব্যৱসায়ীৰ দৈনিক আয় পাঁচ টকা বুলি কোনে কাৰ পৰা জানিব পাৰিছিল ?

(1) এজন মাছমৰীয়াই, আন এজন মাছমৰীয়াৰ পৰা

(2) মাছমৰীয়াসকলে, ফাঁচীবজাৰৰ ব্যৱসায়ী এজনৰ পৰা

(3) উজান বজাৰৰ অসমীয়া মাছৰ ব্যৱসায়ী এজনে, লেখকৰ পৰা

(4) লেখকে, ফাঁচীবজাৰৰ অনা-অসমীয়া মাছৰ ব্যৱসায়ী এজনৰ পৰা

**136.** এগৰাকী শিক্ষকে অষ্টম শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক তলত দিয়া ধৰণে এটা কাৰ্য কৰিবলৈ দিছে। কাৰ্যটো কি বুলি কোৱা হয় নিৰ্ণয় কৰাঁ।

যোৰ পতা, মস্তিষ্কমন্থন কৰা, ধাৰণাবোৰ টুকি লৈ সেইবোৰ এটা লেখা হিচাপে প্ৰস্তুত কৰি বিষয়টোৰ সপক্ষে আৰু বিপক্ষে দুটাকৈ যুক্তি দিয়া। ছাত্ৰ-ছাত্ৰীক ছপা পুথি নালাগে।

(1) ব্যক্তিগত লিখনী (2) ব্যাখ্যাত্মক (expository) লিখনী

(3) বিক্ষিপ্ত লিখনী (4) বৰ্ণনাত্মক (descriptive) লিখনী

Prepp
Your Personal Exams Guide

**137.** ভাষা শিকন আৰু ভাষা আহৰণৰ ক্ষেত্ৰত সহজাত প্ৰমেয় (innateness hypothesis)-ৰ কোনটো শুদ্ধ বাছি উলিওৱাঁ।

(1) অভিভাৱকৰ প্ৰচেষ্টা, লগৰবোৰৰ আৰু ওচৰ সম্বন্ধীয়সকলৰ প্ৰচেষ্টা আৰু লগতে পৰিৱেশেই হৈছে ভাষা আহৰণৰ কাৰক।

(2) ভাষা মানুহৰ অনন্য আৰু কেৱল মানুহেই ভাষা ক'ব পাৰে।

(3) ভাষাৰ শিক্ষকে গুৰুত্ব সহকাৰে কৰোৱা অনুশীলন আৰু অভ্যাসৰ দ্বাৰা শিশুক ভাষা আয়ত্ব কৰোৱায়।

(4) শিশুৰ ভাষা আহৰণৰ কাৰণে তথা উৎপাদৰ কাৰণে নিযুক্ত ভাষা শিক্ষক দায়িত্বশীল হয়।

**138.** শিকনৰ উৰ্দ্ধমুখী বা আৰোহী (bottom-up) কাৰ্যটো বাছি উলিওৱাঁ।

(1) শ্ৰুতলিখন, ক্লয, শ্ৰৱণ, বহু-বৈকল্পিক প্ৰশ্নৰ ব্যৱহাৰ, সদৰ্থক আৰু নঞৰ্থক উক্তিৰ চিনাক্তকৰণ

(2) সাৰাংশীকৰণ, গোটেই পেৰাগ্ৰাফটো শুনা আৰু পৃষ্ঠভূমিৰ জ্ঞানৰ প্ৰয়োগ কৰা

(3) শুনি যাওঁতে খেলি-মেলিকৈ থকা শব্দবোৰৰ পুনৰ চিজিল কৰা

(4) কবিতাৰ আবৃত্তি, আকস্মিক বক্তৃতা, তৰ্ক আৰু আলোচনা

**139.** ভাষা শিকোৱাৰ ক্ষেত্ৰত সামগ্ৰীৰ শিক্ষণ কৌশলগত উপলব্ধি হৈছে —

(1) ভাষাৰ শিক্ষণ কৌশলৰ পোষকতা কৰিবৰ কাৰণে কাৰ্য (activities) আৰু কৰ্ম (task) সংস্থাপিত কৰা

(2) শিক্ষকগৰাকীয়ে শিক্ষণ কৌশলটো গ্ৰহণ কৰিব পৰাকৈ সামগ্ৰীসমূহৰ সৈতে শিক্ষণ কৌশল প্ৰোথিত কৰা

(3) শিক্ষকগৰাকীক তেওঁৰ শ্ৰেণীকোঠাত শিক্ষণ কৌশলটো বুজি পাব কৰা

(4) শ্ৰেণীকোঠাত ব্যৱহাৰ কৰিবৰ কাৰণে বিভিন্ন শিক্ষণ কৌশলসমূহ তালিকাভুক্ত কৰা

**140.** "সকলো শিকাৰুৱে বিদ্যালয়ৰ শিক্ষা নিজৰ মাতৃভাষাত আৰম্ভ কৰে আৰু পাছত স্কুল আগবঢ়াৰ লগে লগে আৰু কেইবাটাও ভাষা শিকে।" — এইটো কোনটো 'শিক্ষাত ভাষা'-ৰ নীতি ?

(1) সংস্কৃতি বিশেষ শিক্ষাত ভাষা

(2) বিদ্যালয়ৰ শিক্ষাৰ কাৰণে ত্ৰিভাষা সূত্ৰ

(3) ভাষা শিক্ষাৰ কাৰণে ভেটি মাতৃভাষা

(4) মাতৃভাষাভিত্তিক বহুভাষিকতা

**141.** তথ্য আহৰণ কৰিবৰ কাৰণে সন্ধ্যাই যন্ত্ৰ শিকনৰ বিষয়ে এটা প্ৰবন্ধ পঢ়িছে। সন্ধ্যাৰ এই পঠন হৈছে —

(1) ওপৰে ওপৰে কৰা দৃষ্টিপাত (glancing)

(2) পুনৰীক্ষণ

(3) সাৰগ্ৰহণ (skimming)

(4) ওপৰে ওপৰে চকু ফুৰোৱা (scanning)

Prepp
Your Personal Exams Guide

**142.** তলত দিয়া কাৰ্যটো কি বুলি জনা যায় ?

এটা সৰু পাঠ দুটা খণ্ডৰ দ্বাৰা গঠিত। প্ৰতিটো সাল-সলনি বাক্য একোটা যোৰ হিচাপে দিয়া হৈছে আৰু শিকাৰুসকলৰ এজনে আনজনক শ্ৰুতলিপি দিয়ে আৰু আনজনে লিখে। এই প্ৰক্ৰিয়াটোৰ পুনৰাবৃত্তি কৰি শ্ৰুতলিপি দিয়াজনক শুনিবলৈ আৰু লিখিবলৈ দিয়া হয়। অৱশেষত দুয়োজনে মিলি কাৰ্যটো সম্পূৰ্ণ কৰে।

(1) অনুসৃজন
(2) পেৰাগ্ৰাফৰ শ্ৰুতলিখন
(3) পাৰস্পৰিক শ্ৰুতলিখন
(4) ব্যাকৰণৰ শ্ৰুতলিখন

**143.** "শিকন হৈছে অৰ্থৰ সন্ধান। সেয়েহে শিকাৰুৱে সক্ৰিয়ভাৱে অৰ্থৰ অনুসন্ধান কৰা বিষয় বা চৌপাশৰ পৰিৱেশতেই শিকন আৰম্ভ হ'ব লাগে।"

তলত দিয়া কোনটো ভাষা দৰ্শনে এই বিবৃতিটোৰ পোষকতা কৰে ?

(1) আচৰণবাদ
(2) সৈদ্ধান্তিক সংৰচনাবাদ (constructivism)
(3) বহু-বুদ্ধিমত্তা
(4) গঠনবাদ (structuralism)

**144.** গঠনকেন্দ্ৰিক (form oriented) ভাষা ইন্‌পুট হৈছে —

(1) ভাষাটো শিকিবৰ কাৰণে ইন্‌পুটসমূহৰ অৰ্থ
(2) শব্দসম্ভাৰ, উচ্চাৰণ আৰু ব্যাকৰণৰ প্ৰয়োগ
(3) তথ্যত গুৰুত্ব দিয়া ইন্‌পুট
(4) লিখন শিকিবৰ কাৰণে ইন্‌পুটৰ সম্ভাৱনীয়তা

**145.** তলৰ কোনটো শিকনৰ মূল্যায়ন ?

(1) শিক্ষণ-শিকন প্ৰক্ৰিয়াটোত ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি উন্নীত কৰিবলৈ আৰু নজৰ ৰাখিবলৈ পৰিকল্পনা কৰা মূল্যায়ন
(2) শিক্ষাবৰ্ষটোৰ শেষত ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি জানি পৰৱৰ্তী শ্ৰেণীলৈ উত্তীৰ্ণ কৰিবলৈ কৰা মূল্যায়ন
(3) নিৰ্দিষ্ট স্তৰ এটাত শিক্ষাৰ্থীৰ সফলতা চিহ্নিত কৰিবলৈ ৰাজ্যই কৰা মূল্যায়ন
(4) প্ৰতিটো ঢাপ বা টাৰ্মৰ শেষত শিক্ষাৰ্থীৰ অগ্ৰগতিৰ বুজ ল'বলৈ কৰা মূল্যায়ন

**146.** ফলপদ তথা উৎপাদনশীল শব্দসম্ভাৰ কি ?

(1) লিখন আৰু কথনত ব্যৱহাৰ কৰা শব্দবোৰ
(2) শুনাৰ লগে লগে চিহ্নিত কৰিব পৰা শব্দবোৰ
(3) বুজি পাবলৈ অসমৰ্থ হোৱা শব্দবোৰ
(4) শুনোতে কেতিয়াবা মনত পেলাব পৰা শব্দবোৰ

Prepp
Your Personal Exams Guide

**147.** কবিতাৰ শিক্ষণ-শিকনৰ ক্ষেত্ৰত সমৰ্থন কৰা **নহয়** ?

(1) কবিতা শিকাৰুৰ কল্পনাৰ অনুশীলনৰ কাৰণে

(2) কবিতা ভাষাৰ সৈতে কাৰ্য কৰিবৰ কাৰণে

(3) কবিতা আনন্দৰ কাৰণে

(4) কবিতা ব্যাকৰণ শিকাবৰ কাৰণে

**148.** শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সৈতে যোগাযোগ কৰোঁতে বিভিন্ন বিষয় ক্ষেত্ৰৰ ভাষাৰ ব্যৱহাৰ কৰে। ভাষা দক্ষতাটো হৈছে —

(1) প্ৰাথমিক আন্তঃব্যক্তিগত যোগাযোগ দক্ষতা

(2) বাস্তৱ-জীৱনৰ উদ্দেশ্যত ভাষা-ব্যৱহাৰ

(3) ভাষা ৰেজিষ্টাৰ

(4) বোধশক্তিসম্পন্ন বৌদ্ধিক ভাষা নিপুণতা

**149.** সীমিত অনুশীলনতে ব্যাকৰণৰ গঠন বা আকাৰৰ জ্ঞান, সেয়া বৰ্ণনা কৰা আৰু প্ৰয়োগ কৰা। — এই বিবৃতিটোৱে কেনে ধৰণৰ ব্যাকৰণৰ জ্ঞান নিৰ্দেশ কৰে ?

(1) নৈপুণ্য বা দক্ষতা

(2) মেটাকগ্‌নিটিভ জ্ঞান

(3) কাৰ্য পদ্ধতি সম্বন্ধীয় জ্ঞান

(4) জ্ঞাপন বা ঘোষণামূলক জ্ঞান

**150.** শিক্ষাৰ্থীসকলক এখন হোটেল-মেনু দিয়া হৈছে। সেইখন চাই তেওঁলোকে চাৰিজনৰ কাৰণে 1800 /- টকাৰ খাদ্য অৰ্ডাৰ কৰিব লাগে। তাৰে এজন নিৰামিষাহাৰী আৰু এজনৰ কাঠফুলাৰ প্ৰতি এলাৰ্জি আছে। ঘৰলৈ উভতি যাবলৈ 70/- টকা অটো ভাড়া নিলগাই থ'ব লাগিব। শিক্ষাৰ্থীসকলে কি অৰ্ডাৰ কৰিব, কোনে কি ভাল পাব আৰু হোষ্টেললৈ উভতি যাবৰ কাৰণে পইছা ৰখা আদি আলোচনা কৰিছে।

— এই কাৰ্যটোৱে তলৰ কি কৰ্ম বা কাৰ্য (task) নিৰ্দেশ কৰে ?

(1) অন্যান্য উচ্চস্তৰীয় ক্ষমতা

(2) ভাষাৰ Study-Engage-Reflect-Use

(3) বোধশক্তিগত কৌশল

(4) ভাষাৰ Present-Practice-Produce

- o 0 o -

SPACE FOR ROUGH WORK

## তলৰ নিৰ্দেশাৱলীসমূহ মনোযোগেৰে পঢ়াঁ ঃ

1. ভিন ভিন প্ৰশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নিৰ্দেশ পৰীক্ষা-পুস্তিকাত দিয়া আছে। প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ আগতে এই পুস্তিকা মনোযোগেৰে পঢ়িবাঁ।

2. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে। শুদ্ধ উত্তৰটো OMR উত্তৰ পত্ৰৰ দ্বিতীয় পিঠিত **নীলা/ক'লা বল পে'নৰ** ঘূৰণীয়াকৈ বোলাই দিয়া। এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিবৰ্তন কৰিব নোৱাৰা।

3. OMR উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব। পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ OMR উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন।

4. প্ৰশ্নপত্ৰ আৰু OMR উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা। কাৰণ প্ৰশ্ন পত্ৰ আৰু OMR উত্তৰ পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন পত্ৰ আৰু OMR উত্তৰ পত্ৰ দিয়া নহ'ব।

5. পৰীক্ষা পত্ৰ/OMR উত্তৰ পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবাঁ।

6. OMR উত্তৰ পত্ৰত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰৰদ্বাৰা পঢ়া হ'ব। সেয়েহে কোনো তথ্য অসম্পূৰ্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নালাগিব।

7. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মোবাইল ফোন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰিব।

8. ম'বাইল ফ'ন, যিকোনো বেতাঁৰ সংযোগ সঁজুলি (আনকি চুইট্স্বড্ অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্ৰী পৰীক্ষা গৃহলৈ লৈ অনাৰ অনুমতি নাই। এই নিৰ্দেশ অমান্য কৰিলে পৰীক্ষাগৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকে ধৰি কাৰ্যপন্থা গ্ৰহণ কৰা হ'ব।

9. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব।

10. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব।

11. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ স্বাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব। যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত স্বাক্ষৰ নকৰে তেনেহলে OMR উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব। **পৰীক্ষাৰ্থীয়ে সৰ্বদা উপস্থিতি বহীৰ খালী ঠাইত বাঁও হাতৰ বুঢ়া আঙুলিৰ ছাপ দিব লাগিব।**

12. ইলেক্ট্ৰনিক/ হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব।

13. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব। সকলো অনুচিত কাৰ্যৰ বাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

14. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ আৰু OMR উত্তৰ পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব।

15. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পূৰ্বে OMR উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব। পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ লগত নিব পাৰে।**

Prepp
Your Personal Exams Guide

## निम्नलिखित निर्देशों को ध्यान से पढ़ें :

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **नीले/काले बॉल पॉइन्ट पेन** से भरें। एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है।
3. परीक्षार्थी सुनिश्चित करें कि इस OMR उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ। परीक्षार्थी अपना अनुक्रमांक OMR उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें।
4. परीक्षा पुस्तिका एवं OMR उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं OMR उत्तर पत्र के कोड या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी।
5. परीक्षा पुस्तिका/OMR उत्तर पत्र में दिए गए परीक्षा पुस्तिका कोड व संख्या को परीक्षार्थी सही तरीके से उपस्थिति-पत्र में लिखें।
6. OMR उत्तर पत्र में कोडित जानकारी को एक मशीन पढ़ेगी। इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्विच ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए। इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और परीक्षार्थी के विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें।
11. कार्यरत निरीक्षक को अपना OMR उत्तर पत्र दिए बिना एवं उपस्थिति-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे। यदि किसी परीक्षार्थी ने दूसरी बार उपस्थिति-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने OMR उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा। **परीक्षार्थी अपने बाएँ हाथ के अंगूठे का निशान उपस्थिति-पत्र में दिए गए स्थान पर अवश्य लगाएँ।**
12. इलेक्ट्रॉनिक/हस्तचालित परिकलक का उपयोग वर्जित है।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी परीक्षण संस्था के सभी नियमों एवं विनियमों द्वारा नियमित हैं। अनुचित साधनों के सभी मामलों का फैसला परीक्षण संस्था के नियमों एवं विनियमों के अनुसार होगा।
14. किसी भी परिस्थिति में परीक्षा पुस्तिका और OMR उत्तर पत्र का कोई भाग अलग न करें।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल/कक्ष छोड़ने से पूर्व OMR उत्तर पत्र निरीक्षक को अवश्य सौंप दें।** ***परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं।***

## READ THE FOLLOWING INSTRUCTIONS CAREFULLY :

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Blue / Black Ball Point Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the OMR Answer Sheet is not folded. Do not make any stray marks on the OMR Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
4. Handle the Test Booklet and OMR Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and OMR Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet/OMR Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the examination hall/room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the examination halls/rooms. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against the candidate including cancellation of examination.
9. Each candidate must show on demand his/her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his/her seat.
11. The candidates should not leave the Examination Hall/Room without handing over their OMR Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the OMR Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic/Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Examining Body with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Examining Body.
14. No part of the Test Booklet and OMR Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, the candidate must hand over the OMR Answer Sheet to the Invigilator in the Hall / Room.** ***The candidates are allowed to take away this Test Booklet with them.***